**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 07-09-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। বিগত কেইটামান বছৰত ভাৰত আৰু ফ্ৰান্সৰ মাজৰ সম্পৰ্কই নতুন উচ্চতা লাভ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ এটা প্ৰকল্পৰ আধাৰশিলা স্থাপন অনুষ্ঠানত ভাগ ল'ব।

৩। নতুন দিল্লীৰ সত্য নিকেতন এলেকাত অট্টালিকা খহি পৰা ঘটনাৰ দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিছে। দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ৬ লৈ বৃদ্ধি হৈছে।

৪। ইছৰোৰ ব্যক্তিগতকৰণ সন্দৰ্ভত একাংশ সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰি ভুৱা বুলি সংস্থাটোৱে স্পষ্টীকৰণ দিছে। *আৰু*

৫। স্বাত্বিকসাইৰাজ ৰণকীৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটিয়ে চেনঝেনত অনুষ্ঠিত চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ খিতাপ দখল কৰিছে।

০০০০০

বিগত কেইটামান বছৰত ভাৰত আৰু ফ্ৰান্সৰ মাজৰ সম্পৰ্কই নতুন উচ্চতা লাভ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৰ সৈতে দুয়োখন দেশে বিশেষ গোলকীয় কৌশলগত অংশীদাৰিত্ব গঢ়ি তুলিছে। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে পেৰিছৰ স্বামীনাৰায়ণ হিন্দু মন্দিৰ মুকলি কৰি প্ৰধানমন্ত্ৰী মোদীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে প্ৰযুক্তি, কৃত্ৰিম বুদ্ধিমত্তা আৰু প্ৰতিৰক্ষাৰ পৰা মহাকাশ আৰু জলবায়ু কাৰ্যসূচীলৈকে দুয়োখন দেশ একেলগে আগবাঢ়ি গৈছে। দুয়োখন দেশে এইবাৰ ভাৰত-ফ্ৰান্স উদ্ভাৱন বৰ্ষও পালন কৰে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে দীৰ্ঘদিনীয়া সাংস্কৃতিক আৰু ৰাজনৈতিক সংযোগৰ শক্তিশালী ভেটিৰ বাবে ভাৰত-ফ্ৰান্স কৌশলগত অংশীদাৰিত্ব অতি বিশেষ।

**বাইট (মোদী)**

প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ফ্ৰান্সত ভাৰতীয় সেনাৰ ত্যাগৰ কাহিনী ইতিহাসে বহন কৰিছে। তেওঁ লগতে কয়, যে ভাষাৰ প্ৰতি আগ্ৰহীসকলে ফ্ৰান্সৰ পণ্ডিতসকলে সংস্কৃত ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰত পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়েও অৱগত। ৰামকৃষ্ণ পৰমহংস আৰু স্বামী বিবেকানন্দৰ সন্দৰ্ভত ৰ'মেইন ৰোলাণ্ডৰ লেখাই দুয়োখন সমাজকে আৰু ওচৰ চপাই আনিছিল বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। তেওঁ কয়, যে বৰ্তমান ভাৰত আৰু ফ্ৰান্সৰ জনসাধাৰণৰ মাজত সংযোগ স্থাপনত যোগ গুৰুত্বপূৰ্ণ মাধ্যম হিচাপে পৰিগণিত হৈছে। আইফিল টাৱাৰৰ সন্মুখত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপনৰ প্ৰতিচ্ছবিসমূহে দেশখনত যোগৰ জনপ্ৰিয়তাকে সূচাই বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ এটা প্ৰকল্পৰ আধাৰশিলা স্থাপন অনুষ্ঠানত ভাগ ল'ব। তেওঁ লগতে বিশ্ববিদ্যালয়খনৰ অভিৱৰ্তন কেন্দ্ৰত শিক্ষাৰ্থী, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু বিশিষ্ট নাগৰিকৰ সৈতে মত বিনিময় কৰিব। শ্ৰীৰাধাকৃষ্ণণে পুৱাৰ ভাগত কামাখ্যা মন্দিৰ দৰ্শন কৰিব।

অসম ভ্ৰমণ সামৰি উপ-ৰাষ্ট্ৰপতিগৰাকী আজি মেঘালয়ৰ ৰাজধানী শ্বিলঙলৈ ৰাওনা হ'ব। তাত তেওঁ ছ'ছ'থাম প্ৰেক্ষাগৃহৰ এটা ৰাজহুৱা অভ্যৰ্থনা আৰু সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰিব। উপ-ৰাষ্ট্ৰপতিগৰাকী কাইলৈ ইম্ফললৈ যাব। তেওঁ মাইৰংস্থিত আই এন এ সংগ্ৰহালয় তথা যুদ্ধস্মাৰক আৰু ইম্ফল সৈনিক বিদ্যালয় পৰিদৰ্শন কৰিব। ইয়াৰ পাছতে উপ-ৰাষ্ট্ৰপতিগৰাকী অৰুণাচল প্ৰদেশৰ ৰাজধানী ইটানগৰলৈ ৰাওনা হ'ব। ভ্ৰমণৰ অন্তিম দিনা শ্ৰীৰাধাকৃষ্ণণে অৰুণাচল প্ৰদেশ বিধানসভাৰ বিশেষ অধিৱেশনত ভাগ ল'ব আৰু বিধানসভা বিথীকা  তথা সংগ্ৰহালয় পৰিদৰ্শন কৰিব। তেওঁ লগতে ইটানগৰস্থিত জৱাহৰলাল নেহৰু ৰাজ্যিক সংগ্ৰহালয় আৰু শ্ৰৱণ শক্তিৰহিত তথা দৃষ্টিৰহিত শিক্ষাৰ্থীৰ বাবে থকা ডঞি প'লো মিছন বিদ্যালয়ো পৰিদৰ্শন কৰিব।

শ্ৰীৰাধাকৃষ্ণে কালি গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন অনুষ্ঠানত অংশ লয়। ইয়াৰ আগেয়ে তেওঁ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত গীতানগৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰে।

ooooo

নতুন দিল্লীৰ সত্য নিকেতন এলেকাত এটা অট্টালিকা খহি পৰা ঘটনাৰ দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিছে। তেওঁ লগতে অট্টালিকাটোৰ স্বত্বাধিকাৰীৰ বিৰুদ্ধে এজাহাৰ ৰুজু কৰাৰো নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে জনোৱা মতে ঘটনাৰ প্ৰাৰম্ভিক তদন্ত তথা ঘটনাস্থলী পৰ্যবেক্ষণৰ পাছতে এই সিদ্ধান্ত লোৱা হয়। এই ঘটনাৰ বাবে দায়ী সকলৰ বিৰুদ্ধে আইন অনুসৰি কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে প্ৰকাশ কৰিছে।

ইপিনে যোৱা নিশা আৰু এটা মৃতদেহ উদ্ধাৰ হোৱাৰ পাছত এই ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ৬ লৈ বৃদ্ধি হৈছে। দুৰ্ঘটনাস্থলীত উদ্ধাৰ অভিযান অব্যাহত আছে আৰু ধ্বংসাৱশেষৰ মাজত কোনো লোক আৱদ্ধ হৈ আছে নেকি সেয়াও সন্ধান কৰি থকা হৈছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী, অগ্নিনিৰ্বাপক সেৱা, দিল্লী আৰক্ষী আৰু অন্যান্য সংস্থাসমূহে নিৰন্তৰ কাম কৰি আছে।

দিল্লীৰ মেয়ৰ প্ৰবেশ ৰাহিয়ে কয়, যে চাৰিমহলাতকৈ অধিক উচ্চতাৰ অবৈধভাৱে নিৰ্মাণ কৰি থকা সকলোবোৰ নিৰ্মাণকাৰ্য তাৎক্ষণিকভাৱে বন্ধ কৰি দিয়া হ'ব। এইক্ষেত্ৰত কোনো বিষয়া দায়বদ্ধ বুলি চিনাক্ত হ'লে তেওঁৰ বিৰুদ্ধেও কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলি মেয়ৰগৰাকীয়ে প্ৰকাশ কৰে। ইপিনে এই দুৰ্ঘটনাৰ পৰিপ্ৰেক্ষিতত আজি দিল্লী বিশ্ববিদ্যালয়ৰ শ্ৰীভেংকটেশ্বৰ মহাবিদ্যালয় বন্ধ থাকিব। মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই জনোৱা মতে সত্য নিকেতন অঞ্চলত থকা শিক্ষাৰ্থীসকলৰ মাজত সৃষ্টি হোৱা নিৰাপত্তাহীনতা আৰু ভালেমান পেয়িংগেষ্ট বন্ধ হৈ যোৱাৰ ফলত শিক্ষাৰ্থীসকলক মহাবিদ্যালয়খনৰ শ্ৰেণীকোঠাতে সাময়িকভাৱে থকাৰ ব্যৱস্থা কৰা হৈছে। একেদৰে আৰ্য্যভট্ট মহাবিদ্যালয়তো ছাত্ৰ-ছাত্ৰীসকলক সাময়িকভাৱে থকাৰ ব্যৱস্থা কৰাৰ বাবে আজি সকলো পাঠদান বাতিল কৰা হৈছে।

উল্লেখযোগ্য যে সত্য নিকেতন অঞ্চলত কালি বিয়লি এটা কেইবা মহলীয়া অট্টালিকা ভাঙি পৰাৰ ফলত ছজন লোকৰ মৃত্যু হয়। আৰক্ষীয়ে স্থানীয় লোকৰ সৈতে সোধা-পোছাৰ অন্তত প্ৰকাশ কৰা মতে অট্টালিকাটো প্ৰায় ৪০-৫০ বছৰ পুৰণি আছিল আৰু দুৰ্ঘটনা সংঘটিত হোৱাৰ সময়ত অট্টালিকাটোৰ তলৰ ভাগত মেৰামতিৰ কাম চলি আছিল।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে এই ঘটনাত শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতিয়ে সামাজিক মাধ্যমৰ বাৰ্তাযোগে এই দুৰ্ঘটনাত নিহতসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে।

ooooo

ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত দোহাৰ পৰা অহা দুজন যাত্ৰীৰ পৰা প্ৰত্নতাত্ত্বিক তাৎপৰ্য্য থকা ৪৮৪টা ৰূপৰ মুদ্ৰা আৰু এটা সোণৰ মুদ্ৰা শুল্ক বিভাগে জব্দ কৰিছে। বিভাগৰ আনুষ্ঠানিক বিবৃতি অনুসৰি যোৱা ২ ছেপ্টেম্বৰত যাত্ৰী দুজনক শুল্ক বিষয়াই আটক কৰে। তেওঁলোকৰ সামগ্ৰী পৰীক্ষা কৰি ৪৭ লাখ টকাৰ প্ৰায় ২১ কিলোগ্ৰাম সোণ আৰু ৰূপৰ মুদ্ৰা উদ্ধাৰ কৰি জব্দ কৰা হয়। উদ্ধাৰ হোৱা ৰূপৰ মুদ্ৰাবোৰত প্ৰত্নতাত্ত্বিক তাৎপৰ্য্য থকা বুলি ভাৰতৰ প্ৰত্নতাত্ত্বিক জৰীপৰ দ্বাৰা প্ৰকাশ পাইছে। ১৯৬২ চনৰ শুল্ক আইনৰ ১১০ ধাৰাত সামগ্ৰীসমূহ জব্দ কৰি অধিক তদন্ত অব্যাহত আছে বুলি বিভাগে জানিবলৈ দিয়ে।

ooooo

ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান ইছৰোৰ ব্যক্তিগতকৰণ সন্দৰ্ভত একাংশ সংবাদ মাধ্যমত বাতৰি সম্প্ৰচাৰ হোৱাৰ পাছত প্ৰতিষ্ঠানটোৱে স্পষ্টীকৰণ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত ইছৰ'ই কয় যে প্ৰতিষ্ঠানটোক ব্যক্তিগতকৰণ কৰা নহয় আৰু ইয়াৰ গুৰুত্বও কমি নাযায়। বিবৃতিত লগতে কোৱা হৈছে যে মহাকাশত ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণৰ লক্ষ্য হৈছে ইছৰ'ই ভাৰতৰ মহাকাশ কাৰ্যসূচীৰ পৰৱৰ্তী প্ৰজন্মৰ ওপৰত আৰু অধিক শক্তিশালীভাৱে মনোনিৱেশ কৰিবলৈ সক্ষম কৰা, আনহাতে উদ্যোগে পৰিপক্ক প্ৰযুক্তি আৰু সামৰ্থ্য বৃদ্ধি কৰে। ইছৰোৱে কয় যে মহাকাশ খণ্ডৰ সংস্কাৰৰ লক্ষ্য হৈছে ভাৰতীয় মহাকাশ পৰিৱেশ তন্ত্ৰৰ বৃহৎ, শক্তিশালী আৰু বিশ্বব্যাপী প্ৰতিযোগিতামূলক ব্যৱস্থা গঢ়ি তোলা। সেয়েহে সংস্কাৰসমূহক ব্যক্তিগতকৰণৰ পৰিৱৰ্তে পৰিৱেশ তন্ত্ৰ সম্প্ৰসাৰণ আৰু সামৰ্থ্য বৃদ্ধি হিচাপেহে চাব লাগে।

ভাৰতৰ ঔদ্যোগিক আৰু প্ৰযুক্তিগত সামৰ্থ্যৰ বৃদ্ধিৰ কথা লক্ষ্য কৰি ইছৰোৱে কয় যে ইয়াৰ ফলত বৃহৎ পৰিসৰৰ উৎপাদন, বাণিজ্যিকীকৰণ, উদ্ভাৱন আৰু বিশ্ব বজাৰত প্ৰৱেশ সম্ভৱ হৈ উঠিব। ইছৰ'ই লগতে কয় যে এই পদক্ষেপৰ দ্বাৰা পৰৱৰ্তী প্ৰজন্মৰ প্ৰযুক্তি আৰু অভিযানৰ বাবে অধিক সম্পদ আৰু বৈজ্ঞানিক জনশক্তি নিয়োজিত হ'ব, আনহাতে বহল পৰিৱেশ তন্ত্ৰই সম্প্ৰসাৰিত ৰাষ্ট্ৰীয় মহাকাশ কাৰ্যসূচীৰ বাবে প্ৰয়োজনীয় বিনিয়োগ, উৎপাদন ক্ষমতা আৰু পৰিসৰ প্ৰদান কৰিব।

ooooo

ভাৰতৰ স্বাত্বিকসাইৰাজ ৰণকীৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটিয়ে চেনঝেনত অনুষ্ঠিত চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ খিতাপ দখল কৰিছে। ভাৰতীয় যুটিটোৱে ফাইনেলত চীনৰ হি

জি টিং আৰু ৰেন জিয়াং য়ুক ১১-২১, ২১-১৩, ২১-১৭ গেমত পৰাস্ত কৰি চাইনা মাষ্টাৰ্ছত খিতাপ দখল কৰা প্ৰথমটো ভাৰতীয় যুটী হিচাপে বিবেচিত হয়। স্বাত্বিকসাইৰাজ আৰু চিৰাগৰ এয়া হৈছে চলিত বৰ্ষৰ দ্বিতীয়তো খিতাপ অৰ্জন। তেওঁলোকে ইয়াৰ পূৰ্বে ছিংগাপুৰ অ'পেন ছুপাৰ 750 ৰ খিতাপ দখল কৰাৰ বিপৰীতে থাইলেণ্ড অ'পেন ছুপাৰ 500 প্ৰতিযোগিতাত ৰাৰ্ণাছআপ হৈছিল।

ooooo

সমাপ্ত